**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি অসমত নিৰ্বাচনী প্ৰচাৰ চলাব।

২। চৰকাৰে ৫ কিলোগ্ৰাম ওজনৰ ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বিক্ৰী বৃদ্ধি কৰিছে।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে শীঘ্ৰেই হৰমুজ প্ৰণালী পুনৰ মুকলি নকৰিলে ইৰানৰ বিদ্যুৎ উৎপাদন কেন্দ্ৰ আৰু সেতুসমূহ ধ্বংস কৰাৰ বুলি ভাবুকি দিছে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত পশ্চিম এছিয়াৰ তিনিগৰাকী নেতাৰ সৈতে কালি টেলিফোনযোগে কথা পাতে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ৪৩ ৰানত পৰাস্ত কৰে।

০০০০০

অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ এদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে ব্যাপক ৰূপ লৈছে।

নিৰ্বাচনী প্ৰচাৰৰ বাবে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পুনৰ অসমলৈ আহিছে। তেওঁ কালি সন্ধিয়া গুৱাহাটীত উপস্থিত হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি দিনৰ ১১ বজাত ভৱানীপুৰ আৰু সৰভোগত বিজেপি প্ৰাৰ্থী ৰণজিৎ কুমাৰ দাসৰ হৈ প্ৰচাৰ চলাব। দিনৰ ভাগত শ্ৰীমোদীয়ে হোজাইত আৰু বিয়লি ডিব্ৰুগড়ত নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি আৰু কাইলৈ বৰাক উপত্যকাত নিৰ্বাচনী প্ৰচাৰ চলাব।

কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে নিৰ্বাচনী প্ৰচাৰৰ বাবে আজি পুনৰ অসমলৈ আহিব। কাইলৈ তেওঁ এখন সংবাদমেলত ভাগ ল'ব। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও আজি ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা।

ইপিনে কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলৰ সভাপতি ৰাহুল গান্ধীয়ে কালি গোলাঘাট, বিশ্বনাথ আৰু কমলপুৰত নিৰ্বাচনী সভাত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। শ্ৰীগান্ধীয়ে অসমত কংগ্ৰেছ চৰকাৰ শাসনলৈ আহিলে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ মৰ্যাদা প্ৰদানৰ উপৰি ১০ লাখ লোকক ভূমি পট্টা প্ৰদান তথা চাহ শ্ৰমিকক ৪৫০ টকাকৈ মজুৰি প্ৰদান কৰা হ'ব বুলি নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়ে।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি বোকাখাতত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ চলায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিগত সময়ছোৱাত অতুল বৰাৰ মন্ত্ৰিত্বকালত অসমৰ কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰে। তেওঁ লগতে এইবাৰৰ নিৰ্বাচনত অতুল বৰা অভিলেখ সংখ্যক ভোটত জয়ী হ'ব বুলি দাবী কৰে।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি পশ্চিম গোৱালপাৰা, দুধনৈ, পলাশবাৰী আৰু বকো-ছয়গাঁৱত প্ৰচাৰ চলায়। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে চৰাইদেউ জিলাৰ সোণাৰী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ কোঁৱৰৰ হৈ প্ৰচাৰ সভাত অংশ লয়।

০০০০০

চৰকাৰে ৫ কিলোগ্ৰাম ওজনৰ ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বিক্ৰী বৃদ্ধি কৰিছে। সকলো ৰন্ধন গেছৰ বিতৰকৰ ওচৰত মজুত থকা এনে চিলিণ্ডাৰ বৈধ পৰিচয় পত্ৰ দেখুৱাই ল'ব পাৰি। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে জনোৱা মতে চৰকাৰে চাহিদা অনুসৰি যোগান বৃদ্ধি কৰাৰ পাছত যোৱা ২৩ মাৰ্চৰ পৰা ৬ লাখ ৬০ হাজাৰটা ৫ কিলোগ্ৰাম ওজনৰ ৰন্ধন গেছৰ চিলিণ্ডাৰ বিক্ৰী হৈছে। ৰাজ সাহায্যযুক্ত ১৪ দশমিক ২ কিলোগ্ৰাম ওজনৰ ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বিপৰীতে ৫ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰ বজাৰ মূল্যত লাভ কৰিব পাৰি আৰু নিকটৱৰ্তী বিতৰকৰ পৰা এনে চিলিণ্ডাৰ ক্ৰয় কৰাৰ বাবে কোনোধৰণৰ ঠিকনাৰ প্ৰমাণ নালাগে। মন্ত্ৰালয়ে লগতে কয়, যে ৪ এপ্ৰিললৈ ৫১ লাখৰো অধিক ঘৰুৱা চিলিণ্ডাৰ যোগান ধৰা হৈছে আৰু মুঠ চাহিদাৰ ৯৫ শতাংশ অনলাইন বুকিং কৰা হৈছে।

পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ মাজত ইন্ধনৰ যোগান যাতে নিৰৱচ্ছিন্নভাৱে চলি থাকে আৰু সামুদ্ৰিক অভিযান নিৰাপদে অব্যাহত থকাৰ লগতে এই দেশসমূহত বাস কৰা ভাৰতীয় লোকসকলক সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱা হৈছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে কৈছে যে দেশত বৰ্তমান পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ নাটনি হোৱা নাই আৰু জনসাধাৰণে ভীতিগ্ৰস্ত হৈ অযথা ইন্ধন ক্ৰয় কৰাৰ প্ৰয়োজন নাই। মন্ত্ৰালয়ে লগতে জনসাধাৰণক ৰন্ধন গেছ বুকিঙৰ বাবে অপ্ৰয়োজনীয়ভাৱে বিতৰকৰ ওচৰলৈ যোৱাৰ পৰিৱৰ্তে ডিজিটেল ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিবলৈ পৰামৰ্শ দিছে। চৰকাৰে ইতিমধ্যে মাৰ্চৰ পৰা পাইপযোগে প্ৰাকৃতিক গেছ সংযোগো বৃদ্ধি কৰিছে। প্ৰায় ৩ লাখ ৬০ হাজাৰ পৰিয়ালত পাইপযোগে প্ৰাকৃতিক গেছ সংযোগ আছিল আৰু মাৰ্চৰ পৰা ৩ লাখ ৯০ হাজাৰৰো অধিক পৰিয়ালে ইয়াৰ বাবে নতুনকৈ পঞ্জীয়ন কৰিছে। চৰকাৰে নাগৰিকসকলক পি এন জি, বৈদ্যুতিক কুক টপ, ইনডাকচন আদি বিকল্প ৰন্ধন ব্যৱস্থা ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিছে।

ইপিনে যোগানৰ ক্ষেত্ৰত শোধনাগাৰসমূহক সৰ্বোচ্চ সামৰ্থৰে কাৰ্যকৰী কৰা হৈছে আৰু ৰাজ্যসমূহৰ প্ৰয়োজন পূৰণত সহায়ক হোৱাকৈ অতিৰিক্ত কেৰাচিনত অনুমোদন জনোৱা হৈছে। কৰ্তৃপক্ষই ইন্ধনৰ কলা বজাৰ ৰোধ কৰাৰ বাবে নিৰীক্ষণ ব্যৱস্থা কটকটীয়া কৰি তুলিছে। মাৰ্চৰ পৰা বৰ্তমানলৈকে কলা বজাৰৰ পৰা ৫০ হাজাৰৰো অধিক ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ জব্দ কৰাৰ উপৰি এহেজাৰ ৪০০ কাৰণ দৰ্শোৱাৰ জাননীৰ লগতে নিয়ম ভংগ কৰাৰ বাবে ৩৬টা এল পি জি বিতৰকৰ অনুজ্ঞাপত্ৰ বাতিল কৰা হৈছে। ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক দৈনিক নিৰীক্ষণ, নিয়মীয়াকৈ অধিসূচনা জাৰি তথা সংহত যোগাযোগ ব্যৱস্থাৰ জৰিয়তে অপপ্ৰচাৰ ৰোধ কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে।

০০০০০

ইৰাণে মঙলবাৰৰ ভিতৰত সকলো জাহাজ চলাচলৰ বাবে হৰমুজ প্ৰণালী পুনৰ মুকলি নকৰিলে ইৰাণৰ বিদ্যুৎ উৎপাদন কেন্দ্ৰ আৰু সেতুসমূহ ধ্বংস কৰিব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাবুকি দিছে। পূৰ্বৰ কঠোৰ ব্যৱস্থা গ্ৰহণৰ সকীয়নিও পুনৰ দোহাৰি ট্ৰাম্পে সংবাদ মাধ্যমক লগতে জনায় যে, ইয়াৰ মাজতে অৱশ্যে তেহৰাণৰ সৈতে এখন চুক্তি সম্পন্ন হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

আমাৰ পূৰ্বৰ বাতৰিসমূহত উল্লেখ কৰি অহা হৈছে যে, ইৰাণে হৰমুজ প্ৰণালীৰে সাধাৰণ জাহাজ চলাচল বন্ধ ৰাখিছে আৰু ইয়াৰ ফলত বিশ্ববজাৰত তেলৰ মূল্য দ্ৰুতগতিত বৃদ্ধি পোৱাৰ উপৰি বিশ্বজুৰি মূল্যবৃদ্ধিৰ আশংকাই দেখা দিছে।

ইফালে, আমেৰিকাই ৪৮ ঘণ্টাৰ চূড়ান্ত সময়সীমা নিৰ্ধাৰণ কৰাৰ পাছত ইৰাণে এই জলপথ পুনৰ মুকলি কৰে নে নাই তাৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈছে। সময়সীমা চমু চাপি অহাত আৰু এতিয়ালৈ কোনো বুজাবুজি নোহোৱাত পৰিস্থিতি অধিক বেয়ালৈ ঢাল খোৱাৰ আশংকা বৃদ্ধি পাইছে। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সোমবাৰ অৰ্থাৎ আজিৰ ভিতৰত এখন চুক্তি সম্পন্ন হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি অন্তৰালৰ কূটনৈতিক প্ৰচেষ্টা অব্যাহত ৰখাৰ সংকেত দিছে যদিও ইৰাণে এই চূড়ান্ত সময়সীমা প্ৰত্যাখ্যান কৰি কোনো হেচাত পৰি আলোচনা নকৰে বুলি স্পষ্ট কৰি দিছে।

লক্ষণীয়ভাৱে, বিশ্বৰ শক্তি যোগান ব্যৱস্থাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ হৰমুজ প্ৰণালীৰ জৰিয়তে বিশ্বৰ বুজন পৰিমাণ অংশৰ তেল পৰিবহণ কৰা হয়। এই পথছোৱাকে বন্ধ ৰখাত ইতিমধ্যে শক্তিখণ্ডত অস্থিৰতাৰ সৃষ্টি হৈছে আৰু ব্যাপক অৰ্থনৈতিক প্ৰভাৱৰ আশংকা বৃদ্ধি পাইছে।

আনহাতে, খনিজ তেল ৰপ্তানিকাৰী দেশসমূহৰ সংগঠন OPEC-এ এখন অনলাইন বৈঠক অনুষ্ঠিত কৰি অহা মে' মাহৰ পৰা প্ৰতিদিনে ২ লাখ ৬ হাজাৰ বেৰেলকৈ তেল উৎপাদন বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পশ্চিম এছিয়াত চলি থকা সংঘাতৰ মাজতে বিশ্ববজাৰলৈ স্থিৰতা অনাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰি থকা হৈছে। অৱশ্যে, জাহাজ চলাচলত বাধা আৰু আঞ্চলিক শক্তি আন্তঃগাথনিৰ ক্ষতিৰ পৰিপ্ৰেক্ষিতত এই বৃদ্ধিৰ প্ৰভাৱ সীমিত হ'ব পাৰে বুলি অনুমান কৰা হৈছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত কালি সন্ধিয়া কাটাৰৰ প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী শ্বেখ মহম্মদ বিন আব্দুলৰহমান বিন জাচিম অল থানিৰ সৈতে টেলিফোনযোগে কথা পাতে। ড০ জয়শংকৰে লগতে পশ্চিম এছিয়াৰ বৰ্ধিত যুদ্ধ পৰিস্থিতিৰ বিষয়ত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ উপ-প্ৰধানমন্ত্ৰী তথা বিদেশমন্ত্ৰী শ্বেখ আব্দুলা বিন জায়েদ অল নাহিয়ানৰ সৈতে আলোচনা কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে যোৱা নিশা ইৰানৰ বিদেশ মন্ত্ৰী আববাছ আৰঘচিৰ সৈতেও ফোনযোগে মত বিনিময় কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে এই বিষয়ে প্ৰকাশ কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰানক পুনৰ ভাবুকি প্ৰদানৰ পাছত সমগ্ৰ পশ্চিম এছিয়া খণ্ডত বৰ্ধিত উত্তেজনাৰ মাজতে ড০ জয়শংকৰে মধ্যপ্ৰাচ্যৰ তিনিগৰাকী নেতাৰ সৈতে ফোনযোগে মত বিনিময় কৰে। উল্লেখযোগ্য যে ইৰানে ভাৰ্চুৱেলী হৰমুজ প্ৰকল্প বন্ধ কৰি দিয়াৰ ফলত বিশ্বত তেল আৰু গেছৰ মূল্য বৃদ্ধি পাইছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ৪৩ ৰানত পৰাস্ত কৰে। চেন্নাই ছুপাৰ কিংছে ২৫১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২০৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ ছৰফৰাজ খানে সৰ্বাধিক ৫০ ৰান কৰে। ৰয়েল ছেলেঞ্জাৰ্চ বেংগালুৰুৰ ভূৱনেশ্বৰ কুমাৰে ৩টা উইকেট লাভ কৰাৰ লগতে জেকব ডাফি, অভিনন্দন সিং আৰু ক্ৰুনাল

পাণ্ডিয়াই দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত তিনি উইকেটৰ বিনিময়ত ২৫০ ৰাণ সংগ্ৰহ কৰে। টীম ডেভিদে সৰ্বাধিক ৭০ আৰু ৰজত পাটিদাৰে ৪৮ ৰান কৰি আউট নোহোৱাকৈ থাকে। দেবদত্ত পাৰ্ডিক্কলে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। টীম ডেভিদক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত কালি হায়দৰাবাদত অনুষ্ঠিত আন এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে, ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৫ উইকেটত পৰাস্ত কৰে।

আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত